**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 12-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

গুজৰাটৰ আহমেদাবাদৰ মেঘানি নগৰত আজি দুপৰীয়া ২৪২গৰাকী যাত্ৰী কঢ়িয়াই লণ্ডন অভিমুখে উৰা মাৰিবলৈ লোৱা এয়াৰ ইণ্ডিয়াৰ AI-171 নম্বৰৰ বিমানখন উৰণৰ সময়তে দুৰ্ঘটনাগ্ৰস্ত হয়। বিমানখনত ১৬৯গৰাকী ভাৰতীয়, ৫৩গৰাকী ব্ৰিটিছ, এগৰাকী কানাডিয়ান আৰু সাতগৰাকী পৰ্তুগীজ নাগৰিক আছিল। কেন্দ্ৰীয় জল শক্তি মন্ত্ৰী চি আৰ পাটিলে এই দুৰ্ঘটনাত গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীয়ে প্ৰাণ হেৰুওৱা বুলি প্ৰকাশ কৰিছে। দুৰ্ঘটনাত সামান্য আঘাটপ্ৰাপ্ত এজন লোকক উদ্ধাৰ কৰা হৈছে। এই লোকজন ব্ৰিটেইনৰ নাগৰিক বিশ্বাস কুমাৰ ৰমেশ বুলি চিনাক্ত কৰা হৈছে। গুৰুতৰভাবে আহতসকলক ততালিকে সমীপৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনা গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে এই অবৰ্ণনীয় পৰিস্থিতিৰ সন্মুখীন হোৱা লোকসকলৰ ওচৰত সমগ্ৰ ভাৰতবাসী আছে বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্ধাৰ অভিযানৰ অহৰহ তথ্য লৈ আছে আৰু সকলো সাহায্যৰ প্ৰতিশ্ৰুতি দিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন ৰায়ডুৰ সৈতে কথা পাতি সকলো দিশৰ বুজ লয়। শ্ৰী ৰায়ডুয়ে কয় যে, সকলো ধৰণৰ তাৎক্ষণিক পদক্ষেপ লোৱা হৈছে আৰু মন্ত্ৰালয়ে উদ্ধাৰ অভিযানৰ সকলো তথ্য লৈ আছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ সৈতে কথা বতৰা পাতি সকলো সাহায্যৰ প্ৰতিশ্ৰুতি দিছে।

এয়াৰ ইণ্ডিয়াৰ মালিকিস্বত্ব লোৱা টাটা গ্ৰুপে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ এক কোটি টকাকৈ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

oooooo

ৰাজ্য চৰকাৰে ২০২৪-২৫ খাৰিফ বিপণন বৰ্ষৰ প্ৰথম চক্ৰত ছয় লাখ মেট্ৰিকটন ধান ক্ৰয় কৰি নতুন অভিলেখ গঢ়িছে। ধান ক্ৰয়ৰ বাবদ ন্যূনতম সমৰ্থম মূল্য হিচাপে কৃষকসকললৈ এহেজাৰ ৩৮০ কোটি টকা মোকলাই দিয়া হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। তেওঁ কয়, যে ধান ক্ৰয়ৰ এই অভিলেখে চৰকাৰৰ দায়বদ্ধতাক প্ৰতিফলন ঘটাইছে। চৰকাৰে কৃষকৰ পৰা উচিত মূল্যত ধান ক্ৰয় কৰি যাব বুলিও তেওঁ মন্তব্য কৰে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শুৱালকুছিৰ মেগা হেণ্ডলুম ক্লাষ্টাৰৰ অগ্ৰগতিৰ বুজ লয় আৰু দুগ্ধ পালকসকলক পাঁচ টকাৰ ৰাজ সাহায্য প্ৰদানকে ধৰি বিভিন্নি বিষয়লৈ আলোচনা কৰে। তেওঁ লগতে হস্ততাঁত আৰু দুগ্ধ খণ্ডৰ জৰিয়তে আত্মনিৰ্ভৰশীলতা সুনিশ্চিত কৰাৰ বাবে দুয়োখন আঁচনি অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। আঁচনি দুখন নিৰ্দিষ্ট সময়ৰ ভিতৰত সফলভাৱে ৰূপায়ণ কৰাটো নিশ্চিত কৰিবলৈ বিষয়াসকলক তেওঁ নিৰ্দেশ দিয়ে।

ooooo

অহা শৈক্ষিক বৰ্ষৰ পৰা তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক গুণগত শিক্ষাদানৰ সংকল্পৰে বিদ্যালয়সমূহত সঠিক স্তৰত পাঠদান পদ্ধতিৰ প্ৰয়োগৰ দিশত গুৰুত্ব আৰোপ কৰা হৈছে। সমগ্ৰ শিক্ষা অসমৰ মূখ্য কাৰ্যালয়ত আজি এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে সমগ্ৰ শিক্ষা অসম আৰু প্ৰথম এডুকেচন ফাউণ্ডেচনৰ যুটীয়া উদ্যোগত ৰাজ্যৰ ১৬ টা মণ্ডলৰ মুঠ এহেজাৰ ৯৫০ গৰাকী সমল ব্যক্তিক যাৱতীয় প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এই সমল ব্যক্তিসকলৰ ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ ফলাফলৰ ভিত্তিত এই শৈক্ষিক পদ্ধতি প্ৰয়োগৰ বিষয়ে বৈঠকত পৰ্যালোচনা

কৰা হয় বুলিও তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে পৰৱৰ্তী শিক্ষাবৰ্ষৰ পৰা এই পদ্ধতি বিদ্যায়তনিক কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰাৰ চেষ্টা চলোৱা হ'ব বুলি জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে সঠিক স্তৰত পাঠদান পদ্ধতি অনুসৰি শিশু শিক্ষাৰ্থীসকলৰ শিক্ষণ স্তৰৰ ওপৰত ভিত্তি কৰি শ্ৰেণীকোঠাৰ নিৰ্দেশনা নিৰ্ধাৰণ কৰা হয়।

ooooo

একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে বজালী জিলা প্ৰশাসনৰ উদ্যোগত পৰহিলৈ জিলা ভিত্তিক একক যোগাসন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ৪টা শাখাত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত ১০ বছৰলৈ ক-শাখা, ১০ৰ পৰা ১৮ বছৰলৈ খ-শাখা, ১৮ৰ পৰা ৩৫ বছৰলৈ গ-শাখা আৰু ৩৫ বছৰ ঊৰ্ধ প্ৰতিযোগীসকলৰ কাৰণে ঘ-শাখা চিহ্নিত কৰা হৈছে। আগ্ৰহী প্ৰতিযোগীসকলক পাঠাশালাৰ আজাদ ভৱনৰ প্ৰতিযোগিতাথলীত ৰাতিপুৱা ৯ বজাত বয়সৰ প্ৰমাণপত্ৰসহ উপস্থিত হ'বলৈ জিলা প্ৰশাসনে অনুৰোধ কৰিছে।

ooooo

কৃষি বিজ্ঞান কেন্দ্ৰ মৰিগাঁৱৰ উদ্যোগত যোৱা ২৯ মে'ৰ পৰা মৰিগাঁও জিলাত ৰূপায়িত বিকশিত কৃষি সংকল্প অভিযান শীৰ্ষক ১২ দিনীয়া প্ৰাক খাৰিফ কৃষি অভিযানৰ আজি সামৰণি পৰে। কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়, কৃষি গৱেষণা আৰু শিক্ষা বিভাগ, ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু কৃষি আৰু কৃষক কল্যাণ বিভাগৰ আহ্বান মৰ্মে ৰূপায়ণ কৰা এই অভিযানৰ অধীনত ৪৮ খন গাঁও পঞ্চায়তৰ অধীনত ৭২ খন গাঁও সামৰি লোৱা হয় আৰু এই অভিযানৰ পৰা প্ৰায় ১৭ হাজাৰ কৃষক উপকৃত হয়।

ooooo

অষ্ট্ৰেলিয়াই দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত আমালৈ বাতৰি অহাৰ পৰলৈকে দ্বিতীয় ইনিংছত ৪ টা উইকেটৰ বিনিময়ত ৫৯ ৰান সংগ্ৰহ কৰিছে। অষ্ট্ৰেলিয়াই দক্ষিণ আফ্ৰিকাৰ প্ৰথম ইনিংছতকৈ সামগ্ৰিকভাৱে ১৩৩ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই আজি খেলৰ দ্বিতীয় দিনা ৪ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৪৩ ৰাণৰ পৰা খেল আৰম্ভ কৰি ৯৫ ৰাণহে যোগ দিবলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ হৈ ডেভিদ বেডিংহামে সৰ্বাধিক ৪৫ ৰাণ সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ পেট কামিন্‌ছে ৬টা উইকেট দখল কৰে।

অষ্ট্ৰেলিয়াই কালি প্ৰথম ইনিংছত ২১২ ৰান সংগ্ৰহ কৰিছিল।

ooooo

সমাপ্ত